**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-SEPTEMBER-2026

**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

———————————————————————————

১। বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ওপজা দিন। ৰাজ্যজুৰি ড০ হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান উদযাপন।

২। ৰাজ্যৰ বিভিন্ন থানা, চৰকাৰী কাৰ্যালয়ত চলি থকা মধ্যভোগীৰাজ বন্ধ কৰাৰ বাবে চৰকাৰৰ কঠোৰ ব্যৱস্থা।

৩। গোলাঘাটত ১৬ জন মাদকদ্ৰব্য সেৱনকাৰী আৰু সৰবৰাহকাৰীক আটক আৰক্ষীৰ।

**আৰু**

৪। গুৱাহাটীৰ পল্টনবজাৰৰ গোৰ্খা ভৱনত অনুষ্ঠিত দ্বিতীয় নৰ্থ-ইষ্ট কুংফু ফেডাৰেচন কাপত বিশ্বনাথৰ বৰগাং স্পৰ্টছ একাডেমীৰ খেলুৱৈৰ সাফল্য।

০০০০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ওপজা দিন। ১৯২৬ চনৰ আজিৰ দিনটোতে শদিয়াত জন্মগ্ৰহণ কৰা ভূপেন হাজৰিকা এগৰাকী গীতিকাৰ, কণ্ঠশিল্পী, সুৰকাৰ, সংগীত পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা, লেখক, সাংবাদিক আৰু ৰাজনীতিবিদ হিচাপে সু-পৰিচিত আছিল। ২০১১ চনৰ ৫ নৱেম্বৰত মৃত্যু হোৱা শিল্পীগৰাকীৰ এইবেলি জন্ম শতবৰ্ষ বছৰজোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গীত গোৱা শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ গীত-মাত তথা সৃষ্টিৰাজিক যুগ যুগ ধৰি চিৰ প্ৰৱহমান কৰি ৰখাৰ বাবে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰূপায়িত শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানত আজি জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুসৰি আয়োজন কৰা বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা সমন্বয় তীৰ্থত উপস্থিত হৈ স্বনামধন্য শিল্পী ড° হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে ১০০ গৰাকী শিল্পীয়ে ‘বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে’ শীৰ্ষক গীতটি পৰিৱেশন কৰে। মুকলি সভাত মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত নিৰ্মাণ হ’বলগীয়া ড° ভূপেন হাজৰিকা সংগ্ৰহালয়ৰ আধাৰশিলা ভাৰ্ছুৱেল মাধ্যমেৰে স্থাপন কৰে। একেদৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই শিল্পীগৰাকীৰ জীৱন, কৰ্ম আৰু চিন্তাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ বাবে ইনষ্টা ৰীল প্ৰতিযোগিতাও মুকলি কৰে। এই অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ভূপেন হাজৰিকাৰ জীৱন, কৰ্মৰাজি সংৰক্ষণ কৰি নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ বাবে ৩৫ কোটি ৩৭ লাখ টকা ব্যয়সাপেক্ষে এই সংগ্ৰহালয়টো নিৰ্মাণ কৰা হ’ব। সংগ্ৰহালয়ৰ নিৰ্মাণৰ বাবে উত্তৰ-পূব পৰিষদে ১৪ কোটি টকা অনুদান আগবঢ়োৱা বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। এই একেটা অনুষ্ঠানতে বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে নিৰ্দিষ্ট বক্তা হিচাপে ভূপেন হাজৰিকাৰ বৰ্ণিল জীৱন আৰু বৈচিত্ৰপূৰ্ণ

অৱদান সন্দৰ্ভত আলোকপাত কৰিব। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, বিশ্বজিৎ দৈমাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়ক তথা সাংসদ উপস্থিত থাকে।

সুধাকণ্ঠ ডং ভূপেন হাজৰিকাৰ ওপজা দিনৰ ওলগ তথা শ্ৰদ্ধা জনাই সদৌ অসম ছাত্ৰ সন্থাই আজি বিয়লি ৬ বজাত দীঘলীপুখুৰী পাৰত **উদ্দীপনা** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰিছে। পুৱা দীঘলীপুখুৰী পাৰৰ ডং ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সুধাকণ্ঠলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিভিন্ন শিক্ষানুষ্ঠানৰ ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰি শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে।

শিল্পীগৰাকীৰ বছৰজোৰা জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব।

আকাশবাণী গুৱাহাটী আৰু তেজপুৰ কেন্দ্ৰই শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত আজি তেজপুৰৰ জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহত সন্ধিয়া ৬ বজাত সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা জনাই **গাম তোমাৰেই গান** শীৰ্ষক এখন সংগীতালেখ্য পৰিবেশন কৰিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাৰ টিংখাং সমজিলা প্ৰশাসনৰ উদ্যোগত আৰু ৰাজগড়ৰ ভূপেন হাজৰিকা সমন্বয়ক্ষেত্ৰৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা অনুষ্ঠানত আজি শিল্পীগৰাকীৰ স্মৃতিত সমূহীয়া বন্তি প্ৰজ্বলন, মুকলি সভা, বঁটা বিতৰণী, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে।

কামৰূপ জিলাৰ আমিনগাঁৱতো আজি ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ আয়োজন কৰা হৈছে। এই উদ্দশ্যে আজি পুৱা আমিনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰা হয়। মহান শিল্পীগৰাকীৰ কালজয়ী গীত **মানুহে মানুহৰ বাবে** পৰিৱেশন কৰাৰ লগতে কেইবাটাও গীতেৰে শিল্পীগৰাকীৰ বিশাল সৃষ্টিৰাজীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

পাটাছাৰকুছিতো আজি ডং ভূপেন হাজৰিকাৰ জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হৈছে। সন্ধিয়া সাত বজাত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত ৰূপম ভূঞা আৰু বিদ্যাসাগৰে ড০ হাজৰিকাৰ কালজয়ী গীত পৰিৱেশন কৰিব। বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে উদ্বোধন কৰিবলগীয়া এই সাংস্কৃতিক অনুষ্ঠানত সংগীত শিল্পী সদানন্দ গগৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

গোৱালপাৰাতো আজি ডং ভূপেন হাজৰিকাৰ জয়ন্তী বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

০০০০০০

ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ বছৰ জোৰা উদযাপনৰ সামৰণি অনুষ্ঠানৰ অংশ হিচাপে আজি মৰিগাঁও জিলা প্ৰশাসন আৰু মৰিগাঁও পৌৰ সভাৰ উদ্যোগত নগৰখনৰ মায়া বজাৰত চাফই অভিযান চলোৱা হয়। পৰিস্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি জনসাধাৰণক সজাগ কৰি তোলাৰ লগতে ভূপেন হাজৰিকাৰ আদৰ্শ আৰু মানৱীয় মূল্য বোধক সন্মান জনাবলৈ এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০০

ৰাজ্যৰ বিভিন্ন থানাকে ধৰি চৰকাৰী কাৰ্যালয়ত চলি থকা মধ্যভোগীৰাজ বন্ধ কৰাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শেহতীয়াকৈ ৰাজ্যৰ বিভিন্ন থানাত অভিযান চলাই আৰক্ষীয়ে ৩ শতাধিক মধ্যভোগীক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ পাছত চৰকাৰে ৰাজ্যৰ বিভিন্ন চৰকাৰী কাৰ্যালয়ত অভিযান চলোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেলত এই সিদ্ধান্তৰ কথা

ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীয়ে সদৰি কৰা মতে বিভিন্ন চৰকাৰী বিভাগৰ কাৰ্যালয়ত থকা মধ্যভোগীৰ তথ্য সাধাৰণ নাগৰিকে নিজেই চৰকাৰক দাখিল কৰিব পাৰিব। ইয়াৰ বাবে অসম আৰক্ষীৰ বিশেষ শাখাই অতি সোনকালে এটা প'ৰ্টেল মুকলি কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই প'ৰ্টেলৰ জৰিয়তে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়, পেঞ্চন কাৰ্যালয়, অসম সচিবালয়, বিভিন্ন বিভাগৰ সঞ্চালকালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আদিত থকা মধ্যভোগীৰ তথ্য জনসাধাৰণে চৰকাৰক দাখিল কৰিব পাৰিব। মধ্যভোগীৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ২০২২ চনত ৰাজ্যৰ থানাবোৰত থকা মধ্যভোগীৰ বিৰুদ্ধে আৰক্ষীয়ে প্ৰথম ধাৰাবাহিকভাৱে অভিযান চলাইছিল। সেই অভিযানত প্ৰায় দুশ মধ্যভোগীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীৰ এই অভিযানৰ পাছত মধ্যভোগীৰ দপদপনি কিছু কমিছিল যদিও শেহতীয়াকৈ পুনৰ মধ্যভোগীৰাজে গা কৰি উঠিছে। যাৰবাবে চৰকাৰে কঠোৰ সিদ্ধান্ত লোৱা বুলি মুখ্যমন্ত্ৰীয়ে কয় -

বাইট

০০০০০০

নিৰ্বাচন আয়োগে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত জিলাখত তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ কালিৰেপৰা নিৰ্বাচনী আচৰণ  বিধি প্ৰযোজ্য হৈছে। জিলাখনৰ নৱনিযুক্ত আয়ুক্ত আৰণ্যক শইকীয়াই কালি এখন সংবাদমেলত এই কথা ঘোষণা কৰে। জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত আয়োজিত সংবাদমেলতখনত তেওঁ কয়, যে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা অনুসৰি অহা ১৬ ছেপ্তেম্বৰত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন, ১৭ চেপ্তেম্বৰ মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ দিন আৰু ১৯ চেপ্তেমম্বৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। অহা ৬ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ লগতে ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব। আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি জিলাখনৰ উপ-নিৰ্বাচনত প্ৰায় ১৯ লাখ ৭ হাজাৰ ২০৯ গৰাকী ভোটাৰে উপ নিৰ্বাচনত নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। নগাওঁ লোকসভা সমষ্টিৰ অন্তৰ্গত নগাওঁ জিলাৰ বিধানসভা সমষ্টিকেইটা হৈছে- ধিং, ৰূপহীহাট, চামগুৰি, ৰহা আৰু নগাওঁ-বটদ্ৰৱা সমষ্টি। আনহাতে, মৰিগাঁও জিলাৰ অন্তৰ্গত বিধানসভা সমষ্টিকেইটা হৈছে লাহৰিঘাট, জাগীৰোড আৰু মৰিগাওঁ বিধানসভা সমষ্টি। নগাওঁ জিলাৰ ৫ টা  বিধানসভা সমষ্টিৰ বাবে নগাওঁ চহৰত থকা নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু দচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ নিৰ্বাচনৰ সা-সামগ্ৰী বিতৰণ, ষ্ট্ৰং ৰুম স্থাপন কৰাৰ উপৰি দুয়োখন বিদ্যালয়তে ভোটগণনা প্ৰক্ৰিয়া অনুষ্ঠিত হব। নগাঁও লোকসভাৰ উপ-নিৰ্বাচন সন্দৰ্ভত আয়ুক্ত আৰণ্যক শইকীয়াই এইদৰে কয় –

(বাইট - ডি চি, নগাঁও)

০০০০০০

গোলাঘাট আৰক্ষীয়ে মাদকদ্ৰব্য আসক্ত আৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে চলোৱা অভিযানত জিলাখনৰ বিভিন্ন স্থানৰ পৰা কালি মুঠ ১৬ জন মাদকদ্ৰব্য সেৱনকাৰী আৰু সৰবৰাহকাৰীক আটক কৰিছে। গোলাঘাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাৰ নিৰ্দেশত এই অভিযান চলোৱা হৈছিল। নৱ প্ৰজন্মক মাদকদ্ৰব্য আসক্তিৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যেৰে চলোৱা আৰক্ষীৰ এই অভিযান অনাগত দিনতো অব্যাহত থাকিব বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাত আজি ৬০ দিনীয়া জিলা পৰ্যায়ৰ এইডছ্‌ সজাগতা সভাৰ শুভাৰম্ভণি কৰা হয়। হামৰেন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰংগণৰ অনুষ্ঠানত জিলা আয়ুক্ত প্ৰীতি কুমাৰীয়ে ফিটা কাটি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এইডছ্‌ সজাগতাৰ এই ৬০ দিনীয়া কাৰ্যসূচীৰ জৰিয়তে যুৱ প্ৰজন্মক এইডছ্‌ৰ পৰা আঁতৰাই ৰখাৰ প্ৰয়াস কৰা হৈছে। বিদ্যালয়ৰ শিক্ষাৰ্থীসকল ড্ৰাগছ্‌ৰ কৱলত পৰাৰ আশংকা বেছি হোৱালৈ চাই তেওঁলোকৰ মাজত আৰম্ভ কৰা এই সজাগতা কাৰ্যসূচীয়ে এইডছ্‌ আই ভিৰ সংক্ৰমণ বা এইডছ্‌ৰ ভয়াবহতা হ্ৰাস কৰিব পাৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটীৰ পল্টনবজাৰৰ গোৰ্খা ভৱনত অনুষ্ঠিত দ্বিতীয় নৰ্থ-ইষ্ট কুংফু ফেডাৰেচন কাপ, ২০২৬ত বিশ্বনাথৰ বৰগাং স্পৰ্টছ্‌ একাডেমীৰ খেলুৱৈয়ে সাফল্য লাভ কৰিছে। কুংফু স্পৰ্টছ্‌ এছ'চিয়েচন অব্‌ আছামৰ উদ্যোগত আৰু নৰ্থ-ইষ্ট কুংফু স্পৰ্টছ্‌ ফেডাৰেচনৰ সহযোগত যোৱা ৫ আৰু ৬ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰতিযোগিতাত গায়ত্ৰী মাঝি, বিশিষ্টা শৰ্মা, প্ৰেৰণা শৰ্মা আৰু বৃষ্টি বন্যা চাহুৰে সোণৰ পদক লাভ কৰে। জিষ্ণু দাস আৰু ভব্য শইকীয়াই ব্ৰঞ্জৰ পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ দুই শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল।

০০০০০০

**সমাপ্ত**